**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-JULY-2026 **Time :** 18-45 PM

***Assamese Evening Bulletin***
**HEADLINES (6.45 PM)**
**:::::::::::::::::::**

১। ৰাজ্যৰ বান পৰিস্থিতি আজিও অপৰিৱৰ্তিত। বানত দুহেজাৰ ২৩ খন গাঁৱৰ ১০ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত।

২। বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ বিধায়ক, জিলা আয়ুক্ত আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য সামগ্ৰী প্ৰেৰণ।

৪। অসমৰ বান পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সংবাদমেল।

**আৰু**

৫। উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ গ্লাছগ'ত অনুষ্ঠিত কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকললৈ শুভেচ্ছা জ্ঞাপন। ০০০০০০০

অসমৰ বান পৰিস্থিতি আজিও জটিল হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ২৫ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানত বুৰ গৈ আছে।

সাম্প্ৰতিক বানত ৰাজ্যখনৰ দুহেজাৰ ২৩ খন গাঁৱৰ ১০ লাখ ৬৩ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। ইপিনে চলিত বৰ্ষৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৪৭ লৈ বৃদ্ধি পাইছে। বানত এতিয়ালৈকে ৮ জন লোক সন্ধানহীন হৈ আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ২৫ হাজাৰ ৩৭৫ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। প্ৰশাসনে ক্ষতিগ্ৰস্ত জিলাসমূহত ১৬২টা আশ্ৰয় শিবিৰ আৰু এহেজাৰ ৭২টা সাহায্য বিতৰণ কেন্দ্ৰ মুকলি কৰিছে। আশ্ৰয় শিবিৰসমূহত ৪১ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে।

ইপিনে নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমশঃ বৃদ্ধি পাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে। আজি দিনৰ ডেৰ বজালৈ প্ৰকল্পটোৰ জলধাৰৰ জলস্তৰ ৩২৩ দশমিক ১—৬ মিটাৰলৈ বৃদ্ধি পোৱাত চাৰিওখন স্পীলৱে গে'ট খুলি দিয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২০৯ ঘনমিটাৰ পানী এৰি দিয়া হৈছে। গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ ইতিমধ্যে বিপদসীমা অতিক্ৰম কৰিছে। প্ৰকল্পটোৰ জলস্তৰ ঘনে ঘনে বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত যিকোনো সময়ত পানী নিৰ্গমনৰ পৰিমাণ অধিক বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

কার্বি আংলং জিলাত বানত দুজন লোক মৃত্যুমুখত পৰাৰ লগতে ১৭ হাজাৰ ১৫৫ জন লোক বানৰ কবলত পৰিছে। বানপীড়িত লোকসকলক উদ্ধাৰৰ বাবে অগ্নি আৰু জৰুৰীকালীন সেৱাৰ বাহিনী, এছ্ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজৰ অভিযান অব্যাহত আছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। অৱশ্যে জিলাখনৰ মাজেৰে বৈ যোৱা দিখাৰু, হৰিণা, ধনশিৰি আৰু ডিফু নদীৰ জলস্তৰ বৰ্তমান কিছু হ্ৰাস পাইছে বুলি জানিব পৰা গৈছে।

00000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বান ক্ষতিগ্ৰস্ত জিলাসমূহৰ বিধায়ক, জিলা আয়ুক্ত আৰু শীৰ্ষ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ উদ্ধাৰ আৰু সাহায্য অভিযানৰ অগ্ৰগতিৰ বুজ লয়। ড০ শৰ্মাই চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ সংযোগ বিচ্ছিন্ন হোৱা অঞ্চল বিশেষকৈ নাজিৰা মহকুমাত পানীৰ মাজত আবদ্ধ হৈ পৰা লোকসকলৰ উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ প্ৰয়োজন অনুসৰি বায়ুসেনাৰ হেলিকপ্টাৰৰ সহায়ত খাদ্য সামগ্ৰীকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান, ভ্ৰাম্যমান চিকিৎসা দল নিয়োগ আদি সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বান ক্ষতিগ্ৰস্ত অঞ্চলৰ বোকাময় পথবোৰ মুকলি কৰি যোগাযোগ ব্যৱস্থা গঢ়ি তুলিবলৈ আহ্বান জনায়।

সাম্প্ৰতিক বান পৰিস্থিতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ দিশ সন্দৰ্ভত আজি এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে বানত চৰাইদেউ জিলাৰ ৩টা ৰাজহ চক্ৰৰ ১৫২ খন গাঁৱৰ ১ লাখ ৩৩ হাজাৰ ১৫৯ জন লোক ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত বানত ১০ জন লোকৰ মৃত্যু হোৱাৰ বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। একেদৰে শিৱসাগৰ জিলাৰ ৫টা ৰাজহ চক্ৰৰ ৩৩৩ খন গাঁৱৰ ৫ লাখ ৩০ হাজাৰ লোক বানত প্ৰভাৱিত হৈছে। জিলাখনত বানত মৃত্যু হোৱা লোকৰ সংখ্যা হৈছে ২১। ড০ শৰ্মাই কয়, যে চৰাইদেউ জিলাৰ বিভিন্ন প্ৰান্তলৈ সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে যদিও শিৱসাগৰ জিলাৰ নাজিৰাৰ ৩০ শতাংশ অঞ্চললৈ এতিয়াও বান সাহায্য প্ৰদান কৰিব পৰা হোৱা নাই।

## বাইট (চি এম)-১

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰী বিমল বৰা আৰু সুশান্ত বৰগোহাঁইয়ে জিলাকেইখনৰ বান পৰিস্থিতি নিৰীক্ষণ কৰি আছে। শিৱসাগৰ আৰু চৰাইদেউ জিলাত পৰ্যাপ্ত খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে তিনিচুকীয়া, ডিব্ৰুগড় আৰু কামৰূপ মহানগৰ জিলাৰ পৰা সাহায্য সামগ্ৰী প্ৰেৰণ কৰা হৈছে বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফ আৰু এছ ডি আৰ এফৰ নাও ব্যৱহাৰ কৰাৰ উপৰি খাদ্য সামগ্ৰী যোগান ধৰাৰ বাবে মাজুলী, ধেমাজি আৰু লখিমপুৰৰ পৰা টুলুঙা নাও আৰু পাল নাও সংগ্ৰহ কৰা হৈছে।

ইপিনে পানী লাহে লাহে হ্ৰাস পাবলৈ ধৰাৰ ফলত বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহত যাতে কোনো মহামাৰী নহয় তাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ তৰফৰ পৰা ভ্ৰাম্যমান চিকিৎসা সেৱাৰ ব্যৱস্থাৰ উপৰি ডিব্ৰুগড় আৰু যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দল মোতায়েন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

## বাইট (চি এম)-২

0000000

বানৰ পৰিপ্ৰেক্ষিতত যোৰহাট, শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ অতিৰিক্ত পুঁজি আবণ্টন কৰা হৈছে বুলি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি বিধানসভাত কয়, যে যোৰহাট জিলাৰ বাবে অতিৰিক্তভাৱে ১ কোটি আৰু শিৱসাগৰ তথা চৰাইদেউ জিলাৰ বাবে ৪ কোটি

টকাকৈ আবণ্টন কৰা হৈছে। জিলাকেইখনলৈ অতিৰিক্ত খাদ্য সামগ্ৰীও আবণ্টিত কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমৰ বান পৰিস্থিতি সন্দৰ্ভত নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰে। শেহতীয়া বানত ৪৭ জন লোকে প্ৰাণ হেৰুৱালগীয়া হোৱাত তেওঁ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ৰাজ্য চৰকাৰৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি আজি কেন্দ্ৰীয় চৰকাৰৰ কেবিনেট বৈঠকত অসমৰ বান পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয় বুলি তেওঁ সংবাদমেলত জানিবলৈ দিয়ে। অতি সোনকালে কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দল অসমৰ বান পৰিস্থিতি বুজ লোৱাৰ উদ্দেশ্যে অসমলৈ আহিব বুলি উল্লেখ কৰি তেওঁ এইদৰে কয়। **(বাইট) সৰ্বানন্দ**

০০০০০০০০

সম্প্ৰতি প্ৰলংয়কাৰী বানৰ কবলত পৰা উজনি অসমৰ লাখ লাখ ক্ষতিগ্ৰস্ত লোকক পাৰ্য্যমানে সহায়ৰ হাত আগবঢ়াবলৈ অসম সত্ৰ মহাসভাই সত্ৰ মহাসভাৰ প্ৰতিখন জিলা সমিতিক আহ্বান জনাইছে। অসম সত্ৰ মহাসভাৰ সম্পাদক প্ৰধান কুসুম কুমাৰ মহন্ত আৰু সাংস্কৃতিক সম্পাদক যুগান্ত বায়নে এই সন্দৰ্ভত প্ৰকাশ কৰা এটা বিবৃতিৰযোগে জিলা সমিতি সমূহৰ লগতে সকলো শ্ৰেণীৰ ৰাইজক মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ এই সাহাৰ্য্য প্ৰদান কৰিবলৈ আহ্বান জনাইছে। সত্ৰ মহাসভাই লগতে বৰ্তমান এই ভয়াবহ পৰিস্থিতিত বানত আক্ৰান্ত লোক সকলৰ বাবে অতি প্ৰয়োজন হোৱা কাপোৰ আদি আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ সঞ্চালক কমলজিৎ তালুকদাৰে আজি যোৰহাট জিলাৰ কাকজান খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বান সাহায্য শিবিৰ আৰু চিকিৎসা শিবিৰসমূহ পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়ছোৱাত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া, জিলা কাৰ্যসূচী প্ৰবন্ধক আৰু খণ্ড কাৰ্যসূচী পৰিচালনা গোটৰ বিষয়াসকল উপস্থিত থাকে। সঞ্চালকগৰাকীয়ে বান ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে সাহায্য আৰু চিকিৎসা সেৱা ব্যৱস্থা অধিক সুদৃঢ় আৰু ক্ষীপ্ৰ কৰি তুলিবলৈ প্ৰয়োজনীয় পৰামৰ্শ দিয়ে। ইপিনে জিলাখনৰ টিপমীয়া স্বাস্থ্য খণ্ডৰ অধীনত স্থাপন কৰা সাহায্য শিবিৰসমূহত আজি স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু সজাগতা সভা সফলভাৱে অনুষ্ঠিত কৰা হয়।

০০০০০০

বাক্সা জিলা সদৰ মুছলপুৰত আজি জিলা আয়ুক্তৰ কাৰ্য্যালয়ত প্ৰেছ ইনফৰমেচন ব্যুৰোৰ তৰফৰ পৰা বিভিন্ন সংবাদ মাধ্যমৰ সংবাদদাতা সকলক লৈ বাৰ্তা নামেৰে এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। লোকপিয়ল ২০২৭ক অধিক প্ৰচাৰ আৰু প্ৰসাৰিত কৰাৰ উদ্দেশ্যে অনুষ্ঠিত হোৱা এই কৰ্মশালাত জিলা আয়ুক্ত তথা বাক্সা জিলা লোকপিয়ল অধ্যক্ষ কিন্নেই চাংচন উপস্থিত থকাৰ লগতে লোকপিয়ল বিভাগৰ উপ-পঞ্জীয়ক জেনেৰেল ভাৰতী ছান্দা, প্ৰেছ ইনফৰমেচন ব্যুৰোৰ যৌথ সঞ্চালক পানভী গুপ্তাও উপস্থিত থাকে। কৰ্মশালাত অংশগ্ৰহণ কৰি উপ-পঞ্জীয়ক গৰাকীয়ে লোকপিয়ল ২০২৭ৰ বিভিন্ন দিশ সম্পৰ্কে বিতংভাৱে ব্যাখ্যা কৰাৰ লগতে এইবাৰ হ'বলগীয়া স্বগণনা পদ্ধতিৰ বিভিন্ন দিশ সমূহৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে এই পদ্ধতিৰ জৰিয়তে ঘৰৰ মুৰববীজনে নিজৰ কৰ্মস্থলীত থাকিয়ে ঘৰৰ সবিশেষ তথ্য লোকপিয়ল বিভাগক অনলাইন যোগে প্ৰদান কৰিব পাৰিব।

০০০০০০

ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূল কাৰ্য্যসূচীৰ অংশ হিচাপে আজি বৰপেটা জিলা ৰাষ্ট্ৰীয় অভিযানৰ উদ্যোগত জিলাখনৰ নগাওঁ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বাৰাদী আয়ুষ্মান মন্দিৰত নিক্ষয় শিবিৰ অনুষ্ঠিত হয়। দুয়োটা শিবিৰত

শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে সজাগতা সভাৰো আয়োজন কৰা হয়। শিবিৰত ৰোগীসকলক যক্ষ্মাৰোগৰ স্ক্রিনিং কৰাৰ লগতে একাংশ লোকক অধিক স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসাৰ বাবে পৰামৰ্শ দিয়া হয়।

০০০০০

অসমৰ ৰাজ্যপাল তথা ইণ্ডিয়ান ৰেডক্রছ চচাইটিৰ অসম শাখাৰ সভাপতি লক্ষ্মন প্ৰসাদ আচাৰ্য্যই আজি এখন উচ্চস্তৰীয় পৰ্য্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে অসমৰ শেহতীয়া প্ৰলংয়কাৰী বানত ক্ষতিগ্ৰস্ত লোকসকলৰ প্ৰতি সহাৰি আৰু সাহায্য বিতৰণৰ ক্ষেত্ৰত ৰেডক্রছ চচাইটিৰ অৱদানৰ বুজ লয়। বৈঠকত অসম শাখাৰ মুখ্য সচিব দেৱ প্ৰসাদ মিশ্ৰই শেহতীয়া বানত ৰাজ্যৰ বিভিন্ন স্থানত, বিশেষকৈ উজনি অসমৰ জিলা সমূহত সাহায্য প্ৰদান আৰু উদ্ধাৰ অভিযানৰ ক্ষেত্ৰত লোৱা পদক্ষেপ সমূহৰ বিষয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে।

০০০০০০

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসৰ উপস্থিতিত বিশ্ববিদ্যালয়খনৰ মঙ্গলদৈ মহাবিদ্যালয়খনৰ অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে শিক্ষা লাভ কৰা প্ৰায় ৫০০ গৰাকী শিক্ষাৰ্থীক তেওঁলোকৰ ডিগ্ৰীৰ মূল প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ কমলাকান্ত বৰা আৰু মুক্ত বিশ্ববিদ্যালয়খনৰ কেইবাগৰাকীও বিষয়ববীয়া উপস্থিত আছিল।

০০০০০

অসম চৰকাৰৰ ২০২৬-২৭ বিত্তীয় বৰ্ষৰ পূৰ্ণাংগ বাজেটত বজালী জিলাত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ঘোষণা আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে ৫০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱক আদৰণি জনাই আজি পাঠশালাত বজালী জিলা বিজেপিয়ে এখন সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদমেলত জিলা বিজেপিৰ সভাপতি মুকুট কলিতাই ৰাজ্যিক বাজেটক জনকল্যাণমুখী, উন্নয়নমুখী আৰু দূৰদৰ্শী বাজেট বুলি অভিহিত কৰে। তেওঁ কয় যে বজালীত চিকিৎসা মহাবিদ্যালয় স্থাপনৰ সিদ্ধান্তই সমগ্ৰ নামনি অসমৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। তেওঁ লগতে সহজ যোগাযোগ আৰু ভৱিষ্যত সম্প্ৰসাৰণৰ সুবিধাৰ বাবে চিকিৎসা মহাবিদ্যালয়খন ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত স্থাপন কৰাৰ দাবী জনায়। সংবাদমেলত ভট্টদেৱ বিশ্ববিদ্যালয়লৈ ৫০ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱক এক ঐতিহাসিক পদক্ষেপ বুলি উল্লেখ কৰি বিশ্ববিদ্যালয়খনৰ আন্তঃগাঁথনি, গৱেষণা আৰু উচ্চ শিক্ষাৰ মান উন্নয়নত ইয়াৰ বিশেষ ভূমিকা থাকিব বুলি আশা প্ৰকাশ কৰে। ইয়াৰোপৰি বজালীৰ ভালুকি অঞ্চলত চৰকাৰী ভূমিত উদ্যোগিক পাম স্থাপন, বজালী জিলা আয়ুক্ত সংহত কাৰ্য্যালয়ৰ নিৰ্মাণ তৰান্বিত কৰা আৰু নতুন বজালী জিলা চিকিৎসালয় শীঘ্ৰে মুকলি কৰাৰ বাবেও চৰকাৰৰ ওচৰত দাবী জনোৱা হয়। সংবাদমেলত অৰুণোদয়ই আঁচনি, কৃষি, স্বাস্থ্য, শিক্ষা, মহিলা আত্মসহায়ক গোট, যুৱ সমাজ আৰু চাহ জনগোষ্ঠীৰ বাবে বাজেটত অৰ্ন্তভূক্ত বিভিন্ন কল্যাণমূলক ব্যৱস্থাৰ শলাগ লোৱাৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিত্তমন্ত্ৰী জয়ন্তমল্ল বৰুৱাক ধন্যবাদ জ্ঞাপন কৰা হয়।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে স্কটলেণ্ডৰ গ্লাছগ'ত অনুষ্ঠিত কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীৰাধাকৃষ্ণণে এই প্ৰতিযোগিতাত ভাৰতীয় এথলিটসকলে দৃঢ়তা আৰু ক্ৰীড়াসুলভ মানসিকতাৰে অৱতীৰ্ণ হৈ দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কমনৱেলথ গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে আজি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভাৰতীয় এথলিটসকলে

প্ৰতিযোগিতাত উৎসাহ, দৃঢ়তা আৰু উদ্যমেৰে অৱতীৰ্ণ হ'ব বুলি আস্থা প্ৰকাশ কৰে। দেশৰ এথলিটসকলৰ দক্ষতা আৰু নিষ্ঠাৰ মনোভাৱে অগণন ভাৰতীয়ক উদ্বুদ্ধ কৰি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০০০০০০

**সমাপ্ত**